# পূব মাজুলী মহাবিদ্যালয়

বনগাওঁ, মাজুলী

স্থাপিতঃ১৯৯০

## নামভৰ্ত্তি সম্পৰ্কীয় বিশেষ জাননী

ইয়াৰ দ্বাৰাই স্নাতক প্ৰথম ষান্মাষিকত নাম ভৰ্ত্তি কৰা ছাত্ৰ ছাত্ৰী সকলক অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ নিৰ্দেশাৱলী নং PC/HE/Misc./42/2020/51 (তাৰিখ ঃ৬-৯-২০২১) অনুযায়ী তলত উল্লেখ কৰা নিৰ্দেশ সমূহ জনোৱা হল।

১) এই নিৰ্দেশাৱলী অনুযায়ী যিসকল ছাত্ৰ ছাত্ৰীৰ পিতৃ মাতৃ বা অভিভাৱকৰ বাৰ্ষিক আয় ( Annual Income ) ২ লাখ টকাৰ ভিতৰত সেইসকলেহে বিনামুলীয়া নামভৰ্ত্তি লাভ কৰিব। তাৰ বাবে SDC অফিচৰ পৰা পোৱা Income Certificate জমা দিব লাগিব। ২ লাখৰ ওপৰৰ সকলে নামভৰ্ত্তিৰ নিৰ্দ্ধাৰিত সম্পূৰ্ন মাচুল পৰিশোধ কৰিব লাগিব।

২) বিনামুলীয়া নামভৰ্ত্তি ৰ সুবিধা লাভ কৰা সকলেও নিদেৰ্শাৱলী অনুযায়ী আলোচনী, ক্ৰীড়া আৰু খেল সপ্তাহৰ নামত ৩৫০.০০ টকাৰ মাচুল মহাবিদ্যালয়ত জমা দিব লাগিব।

৩) বিনামুলীয়া নামভৰ্ত্তিৰ সুবিধা লাভ কৰা ছাত্ৰ ছাত্ৰী সকলে মহাবিদয়ালয় চৌহদ বা নিজা ঘৰত এটি মুল্যৱান গছপুলি সুন্দৰকৈ বেৰনী দি ৰোপন কৰি অনাগত তিনি বছৰত প্ৰতিপালন কৰিব লাগিব। উক্ত গছ পুলি ৰোপনৰ ফটো (নিজৰ নাম আৰু শ্ৰেনী উল্লেখ কৰি) মহাবিদ্যালয়ত জমা দিব লাগিব আৰু প্ৰতিপালন কৰি পৰৱৰ্ত্তী দুবছৰত একেটা পুলিৰে সত্য ফটো নামভৰ্ত্তিৰ সময়ত জমা দিব লাগিব।

৪) মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰ্দিষ্ট ভাৱে দিয়া চৰকাৰী চাকৰী নথকাৰ ঘোষনা পত্ৰ স্বাক্ষৰ কৰি মহাবিদ্যালয়ত জমা দিব লাগিব।

৫) মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰ্দিষ্ট কৰি দিয়া তাৰিখত সকলো ছাত্ৰ ছাত্ৰীকে উচ্চতৰ মাধ্যমিক উত্তীৰ্নৰ মাৰ্কস্বিটৰ পিছফালে " বিনামুলীয়া নামভৰ্ত্তি "ৰ ছীল মাৰি লবৰ বাবে জনোৱা হল।

**মহাবিদ্যালয়ত জমা দিব লগা আৱশ্যকীয় নথি সমূহঃ**

ক) Income Certificate

খ) গছপুলি ৰোপনৰ ফটো

গ) চৰকাৰী চাকৰি নথকাৰ ঘোষনা পত্ৰ

**নিৰ্দিষ্ট তাৰিখ ঃ**

**ক) নথি সমুহ জমা দিয়াৰ অন্তিম তাৰিখঃ ১৯ চেপ্তেম্বত,২০২১**

**খ) নামভৰ্ত্তি প্ৰক্ৰিয়া সম্পুৰ্ন কৰাৰ তাৰিখ ঃ ২০ আৰু ২১ চেপ্তেম্বৰ,২০২১**

( সকলো ছাত্ৰ ছাত্ৰীকে নিৰ্দিষ্ট তাৰিখত মহাবিদ্যালয়ত উপস্থিত থাকি নামভৰ্ত্তি প্ৰক্ৰিয়া সম্পুৰ্ন কৰিবলৈ জনোৱা হল)

**আৱশ্যকীয় মাচুলঃ**

ক) **For Free Admission Holder : Rs.350/- Only**

খ) **For Paid Admission Holder : Rs.5540/- Only**

7/9/2021

অধ্যক্ষ

পূব মাজুলী মহাবিদয়ালয়

Principal & Secretary
Pub Majuli College